# <u>গোহাৰি</u>

প্ৰতি,

কেন্দ্ৰ তত্বাৱধায়ক / সমন্বয়ক,
............................... অধ্যয়ন কেন্দ্ৰ,
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় ঃ প্ৰাক্তন শিক্ষাৰ্থীৰ তালিকা প্ৰস্তুতকৰণ সম্পৰ্কত।

মহোদয়/মহোদয়া,

নমস্কাৰ গ্ৰহণ কৰিব। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ স্বীকৃতিপ্ৰাপ্ত অধ্যয়ন কেন্দ্ৰৰ জৰিয়তে আপোনাসৰে শিক্ষাৰ্থীসকলক উপযুক্ত আৰু সু-ব্যৱস্থাৰে শিক্ষা প্ৰদান কৰি সমাজলৈ যি মহৎ বৰঙণি আগবঢ়াই আহিছে তাৰ বাবে আমি চিৰ কৃতজ্ঞ। শৈক্ষিক ক্ষেত্ৰখনত জড়িত থাকি আপোনালোকে অশেষ পৰিশ্ৰমেৰে সমাজলৈ বিভিন্ন সময়ত উলিয়াই পঠিওৱা শিক্ষিত, সংস্কৃতিবান ব্যক্তিসকলে সমাজৰ উন্নয়নত যথোপযুক্ত ভূমিকা পালন কৰিব পাৰিলেহে প্ৰকৃতাৰ্থত সমাজৰ সামগ্ৰিক উন্নয়ন সাধিত হ'ব।

এই প্ৰসংগতে আমি আপোনালোকক নিম্নলিখিত বিষয়সমূহৰ ক্ষেত্ৰত কাৰ্যকৰী পদক্ষেপ ল'বলৈ আহ্বান জনাব বিচাৰিছোঁ। বিশ্ববিদ্যালয়খনি স্থাপন হোৱা দিনৰে পৰাই ইয়াৰ অধ্যয়ন কেন্দ্ৰসমূহৰ যোগেদি যিসকল ব্যক্তিয়ে বিভিন্ন প্ৰকাৰৰ পাঠ্যক্ৰম সফলতাৰে সম্পূৰ্ণ কৰিছে সেইসকলৰ তথ্য সংগ্ৰহ কৰি সংৰক্ষণ কৰা; যিসকলে এই পাঠ্যক্ৰমসমূহ সম্পূৰ্ণ কৰি বিভিন্ন ধৰণৰ নিয়োগৰ সুবিধা লাভ কৰিছে তাৰ খতিয়ান ৰখা আৰু এই অধ্যয়ন কেন্দ্ৰসমূহত অধ্যয়নৰত অথবা অধ্যয়ন সমাপ্ত কৰা কোনো শিক্ষাৰ্থীয়ে যদি অন্য কোনো বিষয়তো পাৰদৰ্শিতা, সুনাম বা সামাজিক স্বীকৃতি লাভ কৰিছে সেই তথ্য সংৰক্ষণ কৰি ৰখাৰ ক্ষেত্ৰতো কাৰ্যকৰী ব্যৱস্থা লোৱাৰ বিষয়ে অনুভৱ কৰা হৈছে। এই তথ্যসমূহ সংগ্ৰহ কৰি আমালৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনালোঁ। ইয়াৰ বাহিৰেও আপোনালোকে এই অধ্যয়ন কেন্দ্ৰৰ যোগেদি ইতিমধ্যে যদি অন্যান্য কোনো কাৰ্যসূচী (শৈক্ষিক, সামাজিক, সাংস্কৃতিক আদি) সমাপন কৰিছে তাৰ বিষয়েও আমাক অৱগত কৰিব বুলি আশা কৰিলোঁ।

এই সমূহ দিশত কাৰ্যকৰী ব্যৱস্থা লোৱাৰ ক্ষেত্ৰত আপোনাসৰক অনুৰোধ কৰা হ'ল। অধ্যয়ন কেন্দ্ৰসমূহৰ যথোপযুক্ত পৰিচালনাই সমাজত বিশ্ববিদ্যালয়খনৰ গ্ৰহণযোগ্যতা বৃদ্ধি কৰিব বুলি আমি আশাবাদী। বিশ্ববিদ্যালয়খনিৰ উন্নয়নৰ ক্ষেত্ৰত আপোনালোকৰ সহায়-সহযোগিতা কামনা কৰিছোঁ।

ধন্যবাদেৰে—

ড° দিব্যজ্যোতি মহন্ত
ডীন (অধ্যয়ন কেন্দ্ৰ)
কৃ. কা. স. ৰা. মু. বি. বি.

**বিঃ দ্ৰঃ** সমূহ তথ্য লিখিত আকাৰত প্ৰেৰণ কৰাৰ ঠিকনা ঃ ডীন (অধ্যয়ন কেন্দ্ৰ), কৃ. কা. স. ৰা. মু. বি. বি., হাউচফেড কমপ্লেক্স, দিশপুৰ, গুৱাহাটী - ৭৮১০০৬